জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৫৬/২০২১

# ড° দেৱদত্ত বৰকটকীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৩ নৱেম্বৰ ঃ** বি বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট শিক্ষাবিদ, বিজেপিৰ জ্যেষ্ঠ নেতা, জ্ঞান-বিজ্ঞান সমিতি, অসমৰ প্ৰতিষ্ঠাপক ড° দেৱদত্ত বৰকটকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে জীৱনকালত একান্ত নিষ্ঠাৰে ড° দেৱদত্ত বৰকটকীয়ে আমাৰ শৈক্ষিক জগতলৈ যি অৰিহণা আগবঢ়াই গ'ল সেয়া ৰাজ্যবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। বি বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক হিচাপে তেখেতে মানৱ সম্পদ গঢ়াৰ কামত নিষ্ঠাৰে নিয়োজিত হোৱাৰ উপৰি জ্ঞান-বিজ্ঞান সমিতি, অসমৰ প্ৰতিষ্ঠাপক হিচাপে সেৱা আগবঢ়াই গৈছে। ৰাজ্যিক বিজেপিৰ মুখপত্ৰ 'অসমীয়া বিজেপি বাৰ্তা'ৰ মুখ্য সম্পাদকৰ গুৰুদায়িত্ব মৃত্যুৰ আগমুহূৰ্তলৈকে পালন কৰি তেখেতে কৰ্তব্য নিষ্ঠাৰ উজ্জ্বল উদাহৰণ দাঙি ধৰি গৈছে। এইগৰাকী বিশিষ্ট ব্যক্তিৰ বিয়োগ ৰাজ্যখনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ড° দেৱদত্ত বৰকটকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ / পুঃডেঃ**
**২৩-১১-২০২১**